অসম আদিত্য



### ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

# শিক্ষকতাই মোৰ প্ৰথম পৰিচয়, মই নিজকে শিক্ষক হিচাপে পৰিচয় দিয়ে ভালপাওঁ ঃ ড° সিং

ডিব্ৰুগড়, ১৫ জুন ঃ 'শিক্ষকতাই মোৰ প্ৰথম পৰিচয়, মই নিজকে শিক্ষক হিচাপে পৰিচয় দিয়ে ভালপাওঁ। মই অতীততো শিক্ষক, বৰ্তমানো শিক্ষক আৰু ভৱিষ্যতেও শিক্ষক হৈয়ে থাকিব বিচাৰিম।' ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱসত মুখ্য বক্তা হিচাপে উপস্থিত থাকি ৰয়েল গ্ল'বেল বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° এছ পি সিঙে আজি এইদৰে কয়। 'Future of Higher Education in the light of Sustainable Development Goals (SDG)'– শীৰ্ষক বিষয়ত ড° লক্ষ্মীপ্ৰসাদ দত্ত স্মাৰক বক্তৃতা প্ৰদান কৰি উপাচাৰ্যগৰাকীয়ে কয়— বৰ্তমান পৃথিৱীত আমি সকলোৱে মহাশক্তিৱান হোৱাৰ দিশে ধাৱমান হৈছোঁ। আমাক মহাশক্তিৱান হোৱাৰ ক্ষেত্ৰত সমল যোগায় প্ৰাকৃতিক সম্পদসমূহে। বৰ্তমান সময়ত পৰিৱেশ লগত লৈ সমান্তৰালভাৱে আগুৱাই বহনক্ষম বিকাশৰ দিশে কি ধৰণেৰে আগুৱাব পাৰি সেইটোৱেই এক গুৰুত্বপূৰ্ণ বিষয় বুলি মত প্ৰকাশ কৰি কয় এই ক্ষেত্ৰত উচ্চ শিক্ষানুষ্ঠানসমূহৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। দিনৰ ৯ বজাত মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি অভিমন্যু বৰুৱাই পতাকা উত্তোলনেৰে শুভাৰম্ভ কৰা অনুষ্ঠানটিত মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ড° যোগীৰাজ বসু, প্ৰতিষ্ঠাপক উপাধ্যক্ষ ড° লক্ষ্মীপ্ৰসাদ দত্ত আৰু প্ৰতিষ্ঠাপক সম্পাদক অশ্বিনীচৰণ চৌধুৰীৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া, উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামী আৰু বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক অভিজিৎ বৰুৱাই। অতিথিসকলক মুখ্য দ্বাৰৰ পৰা সভাগৃহলৈ গায়ন-বায়ন, এন চি চিৰ কেডেটে আদৰণি জনাই অনা অনুষ্ঠানটিত সমবেত সংগীত পৰিৱেশন কৰে মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীসকলে। দাতা সদস্য জ্যোতিপ্ৰসাদ কানৈয়ে বন্তি প্ৰজ্বলন কৰা অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই কয়— আজি মহাবিদ্যালয়খনৰ কাৰণে এটা ঐতিহাসিক তথা পৱিত্ৰ দিন। মহাবিদ্যালয়খনে ৭৮ বছৰ অতিক্ৰম কৰা এই সময়ত মহাবিদ্যালয়খনৰ ইতিহাসত এক মাইলৰ খুঁটি হিচাপে চিহ্নিত হৈ থাকিব। অধ্যক্ষগৰাকীয়ে লগতে মহাবিদ্যালয়খন প্ৰতিষ্ঠা লগ্নত যিসকল শিক্ষাবিদ, দূৰদৰ্শী, স্বপ্নদ্ৰষ্টা ব্যক্তি জড়িত হৈ আছিল সেইসকলক শ্ৰদ্ধাৰে স্মৰণ কৰি কয়— শিক্ষা বিস্তাৰৰ এই যাত্ৰাত সেইসকল ব্যক্তিৰ নিষ্ঠা আৰু দায়বদ্ধতাত কানৈ মহাবিদ্যালয় পৰিয়াল চিৰদিন কৃতজ্ঞ হৈ থাকিব। সেই মহান ব্যক্তিসকলৰ কৰ্তব্যনিষ্ঠা, দায়বদ্ধতাক কানৈ মহাবিদ্যালয় পৰিয়ালে চিৰদিন মনত ৰাখিব। মহাবিদ্যালয়ৰ অধ্যাপিকা ড° তৃষ্ণা দুৱৰা কলিতা আৰু ড° মৰমী তালুকদাৰে আঁত ধৰা অনুষ্ঠানটি উদ্বোধন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গণিত বিভাগৰ অধ্যাপক তথা ছাত্ৰ পৰিক্ৰমাৰ ডীন ড° সুৰজিৎ বৰকটকীয়ে। উদ্বোধনী ভাষণ প্ৰসংগত ড° বৰকটকীয়ে যিসকল মহান ব্যক্তিৰ অহৰহ প্ৰচেষ্টাত কানৈ মহাবিদ্যালয়ে প্ৰতিষ্ঠা লাভ কৰি আজি ৭৮ বৰ্ষত ভৰি দিলে সেইসকল মহান ব্যক্তিক শ্ৰদ্ধাৰে সোঁৱৰে। মহাবিদ্যালয়ৰ অতীত-



বৰ্তমানক সামৰি প্ৰস্তুত কৰা তথ্য-চিত্ৰ প্ৰদৰ্শনৰ পিছতে ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি পোন প্ৰথমবাৰৰ বাবে কানৈ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক সম্পাদক অশ্বিনীচৰণ চৌধুৰীৰ নামত 'অশ্বিনী চৰণ চৌধুৰী স্মাৰক বঁটা' প্ৰদান কৰা হয় বিশিষ্ট চিকিৎসক তথা সমাজকৰ্মী ডাঃ সৰ্বেশ্বৰ ভূঞাক। গামোচা, চেলেং চাদৰ, জাপি, সম্বৰ্ধনা-পত্ৰ আৰু স্মাৰকসহ বঁটা গ্ৰহণ কৰি বিশিষ্ট চিকিৎসকগৰাকীয়ে কানৈ মহাবিদ্যালয় পৰিয়ালে আজি এনে এটি সন্মান প্ৰদান কৰাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াকে প্ৰমুখ্য কৰি মহাবিদ্যালয় পৰিয়ালক ধন্যবাদ জ্ঞাপন কৰে। উল্লেখ্য যে বিগত বৰ্ষৰ দৰে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ড° লক্ষ্মীপ্ৰসাদ দত্তৰ নামত 'ড° লক্ষ্মীপ্ৰসাদ দত্ত স্মাৰক বঁটা' প্ৰদান কৰা হয় মহাবিদ্যালয়ৰ ২০১৯ আৰু ২০২২ বৰ্ষৰ কৃতী শিক্ষাৰ্থী ক্ৰমে— গুৰপ্ৰীত কৌৰ ভিৰ্দি আৰু দেৱাশ্ৰুতি ডেকাক। মানপত্ৰ, কিতাপৰ টোপোলা, স্মাৰক আৰু নগদ পাঁচ হাজাৰ টকাৰ বঁটা গ্ৰহণ কৰি দুয়োগৰাকী শিক্ষাৰ্থী আনন্দিত হৈ উঠে। অনুষ্ঠানটিত বহুসংখ্যক অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰী, ডিব্ৰুগড় চহৰৰ বহুসংখ্যক গণ্য-মান্য ব্যক্তিকে ধৰি মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। উল্লেখ্য যে মহাবিদ্যালয়ৰ নৱনিযুক্ত ১১ গৰাকী অধ্যাপক-অধ্যাপিকাই আজিৰ এই অনুষ্ঠানত উপস্থিত থকা অতিথি আৰু মহাবিদ্যালয় পৰিয়ালক দুপৰীয়াৰ আহাৰৰ ব্যৱস্থা কৰি যি ইতিবাচক কৰ্মৰ নিদৰ্শন দেখুৱালে, সেই কৰ্মত সন্তুষ্ট হৈ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই সকলোকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। শেষত শলাগ জ্ঞাপন কৰে মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ড° পল্লৱী গগৈয়ে।